**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-04-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। অসমৰ ৫টা সমষ্টিত কালি সম্পন্ন হোৱা দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ৭৭ শতাংশৰো অধিক ভোটগ্ৰহণ।

২। ৰাজ্যত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অব্যাহত।

৩। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত কালি ১২ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ সুকলমে সম্পন্ন।

৪। ৰাজ্যত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা হোৱাৰ পাছৰে পৰা নিৰ্বাচনী আচৰণবিধি উলংঘাৰ মুঠ ১৪১টা ঘটনা

*আৰু*

৫। আই পি এল প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ দেলহী কেপিটেলছৰ আৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰাজস্থান ৰয়েলছৰ সন্মুখীন।

ooooo

অসমৰ ৫ টা সমষ্টিত কালি শান্তিপূৰ্ণভাৱে দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। ৰাজ্যখনত প্ৰায় ৭৭ দশমিক ৩-৫ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। দৰং-ওদালগুৰি সমষ্টিত ৭৮ দশমিক ৪-১, ডিফুত প্ৰায় ৭৩ দশমিক ১-১, কৰিমগঞ্জত ৭৫ দশমিক ৬-৩, নগাঁৱত ৮০ দশমিক ৫-৬ আৰু শিলচৰত ৭৫ দশমিক ৯-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনত দুগৰাকী মহিলা প্ৰাৰ্থীসহ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰে। ইয়াৰ ভিতৰত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োৱে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিছে। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰছিং তি ছ', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰে।

oooooo

ৰাজ্যত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি পশ্চিম গোৱালপাৰাত গুৱাহাটী সমষ্টিৰ দলীয় প্ৰাৰ্থী বিজুলী কলিতা মেধীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই দ্বৈত ইঞ্জিনৰ চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনি সন্দৰ্ভত স্থানীয় জনসাধাৰণৰ সৈতে কথা পাতে। তেওঁ কয় যে, চৰকাৰে জিলাখনত বান আৰু খহনীয়াৰ সমস্যা প্ৰতিহত কৰাৰ উদ্দেশ্যে বহুমুখী কৌশল গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে চলিত বৰ্ষত ৰাজ্য চৰকাৰে পুনৰ ৫০ হাজাৰ নিবনুৱাক সংস্থাপন দিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই বৰপেটা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ অভয়াপুৰীত আয়োজিত নিৰ্বাচনী সভাত প্ৰচাৰ চলায়। অভয়াপুৰীৰ গান্ধী ময়দানত আয়োজিত সভাখনত ড০ শৰ্মাই ভাষণ প্ৰসংগত কয় যে, নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ নেতৃত্বত বড়োলেণ্ড আৰু ডিমাহাচাওকে ধৰি বিভিন্ন স্থান শান্তি স্থাপন হোৱাৰ লগতে আলফাৰ সৈতে হোৱা চুক্তিৰ জৰিয়তে ৰাজ্যলৈ শান্তি ঘূৰি আহিছে। মুখ্যমন্ত্ৰীগৰাকীয় বিজেপি চৰকাৰৰ অধীনত জনসাধাৰণে লাভ কৰা বিভিন্ন সুবিধাসমূহ উনুকীয়াই দি জনসাধাৰণক দলটোক ভোট দিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিত আয়োজিত বিজয় সংকল্প যাত্ৰাতো অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ নেতা গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীনজ্যোতি গগৈয়ে কালি দুধনৈত গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ মনোনীত প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ সমৰ্থনত প্ৰচাৰ চলায়।

প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম আৰু বি টি ছিৰ পৰিষদীয় সদস্য প্ৰদীপ কুমাৰ বায়নে কালি চিৰাং জিলাৰ বাসু গাঁৱত এন ডি এৰ সমৰ্থিত প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হকে প্ৰচাৰ চলায়। আনহাতে ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে ধুবুৰীত কংগ্ৰেছ দলৰ তথা বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হৈ প্ৰচাৰত ভাগ লয়।

ইপিনে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰপেটা লোকসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী দ্বীপ বায়নৰ হকে নিৰবাচনী সভাত অংশগ্ৰহণ কৰিব। ভ্ৰমণ সামৰাৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে গুৱাহাটীত সংবাদদাতাসকলৰ সৈতে মত বিনিময় কৰিব। কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ পৰহিলৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত ভাগ লোৱাৰ উদ্দেশ্যে অসমলৈ আহিব। ভ্ৰমণকালত শ্ৰীশ্বাহে গুৱাহাটীৰ চাইকেল ফেক্টৰীৰ পৰা লাল গনেশলৈ এটা ৰোড শ্ব'ত অংশ ল'ব। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি দলৰ জ্যেষ্ঠ নেতাগৰাকীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ বুজ লয়।

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভাদ্ৰা লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ বাবে প্ৰচাৰ চলোৱাৰ উদ্দেশ্যে অসমলৈ অহাৰ সম্ভাৱনা আছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ কথা আছে। ৰাজ্যখনত তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা ধুবুৰী আৰু কোকৰাঝাৰত ৭ মে'ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০

নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আজি অসমলৈ আহিব। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে বৰপেটা সমষ্টিৰ দলীয় প্ৰাৰ্থী দ্বীপ বায়নৰ সমৰ্থনত সমষ্টিটোৰ অন্তৰ্গত ভৱানীপুৰ সৰভোগৰ

ফুলগুৰিত আয়োজিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰিব। ভ্ৰমণ সামৰাৰ পূৰ্বে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে গুৱাহাটীত সংবাদদাতাসকলৰ সৈতে মত বিনিময় কৰিব। ইপিনে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই কালি এখন সংবাদ মেল সম্বোধন কৰে। শ্ৰীবৰাই অৰুণাচলত শৰণাৰ্থী হিচাপে থকা চাকমা হাজংসকলক অসমত সংস্থাপন কৰিবলৈ বিচৰা হৈছে বুলি প্ৰকাশিত বাতৰি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। এই সন্দৰ্ভত তেওঁ ৰাজ্যখনৰ মুখ্যমন্ত্ৰীক স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে আজিৰ নিৰ্বাচনী প্ৰচাৰ সভাত সমিতিৰ সভাপতি ভূপেন কুমাৰ বৰা, তথা দলীয় নেতা দেৱব্ৰত শইকীয়া, গৌৰৱ গগৈকে ধৰি কেবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব।

০০০০

দেশৰ লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কালি প্ৰায় শান্তিপূৰ্ণভাৱে সম্পূৰ্ণ হয়। সমাজৰ সকলো শ্ৰেণীৰ লোকে প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহকো নেওচি ভোটগ্ৰহণত অংশগ্ৰহণ কৰে। ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮টা সমষ্টি সামৰি হোৱা এই পৰ্য্যায়ৰ নিৰ্বাচনত সামগ্ৰিকভাৱে প্ৰায় ৬৮ দশমিক ৪-৮ শতাংশ ভোটদান হয়। এতিয়ালৈ লাভ কৰা তথ্য অনুসৰি দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ত্ৰিপুৰাত সৰ্বাধিক ৭৯ দশমিক ৬-৬ শতাংশ ভোটদান হোৱাৰ বিপৰীতে উত্তৰ প্ৰদেশত সৰ্বনিম্ন ৫৪ দশমিক ৮-৫ শতাংশ ভোটদান সম্পন্ন হৈছে।

এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কংগ্ৰেছৰ ৰাহুল গান্ধী, চি পি আইৰ এনি ৰাজা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰ, কংগ্ৰেছ নেতা শশী থাৰুৰ, বিজেপিৰ তেজস্বী সূৰ্য, হেমামালিনী, অৰুণ গভিল, ওম বিৰলা, কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জে ডি এছৰ এইছ ডি কুমাৰ স্বামী, বিজেপিৰ দিলীপ শইকীয়া, পৰিমল শুক্লবৈদ্য, আৰু কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ অন্যতম। এই পৰ্যায়ত মুঠ এহেজাৰ ২০২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ সময়ত শান্তি শৃংখলা বৰ্তাই ৰখাৰ লগতে নিৰ্ভয়ে ভোটদান কৰাৰ বাবে ভোটতদাতাসকলৰ বাবে অনুকুল বাতাবৰণ গঢ়ি তোলাৰ উদ্দেশ্যে কঠোৰ ব্যৱস্থা বলবৎ কৰা হয়। ১ লাখৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিংৰ ব্যৱস্থা কৰা বুলিও আয়োগে প্ৰকাশ কৰে। আয়োগে লগতে ছত্তিশগড়ৰ বাষ্টাৰ সংমণ্ডলৰ ১০২খন গাঁৱৰ লোকে এইবেলি লোকসভা নিৰ্বাচনত প্ৰথমবাৰৰ বাবে ভোটদান কৰা বুলি সদৰি কৰে।

ইপিনে, মধ্য প্ৰদেশৰ বেটুল সংসদীয় সমষ্টিৰ বাবেও কালি ভোটগ্ৰহণ হোৱাৰ কথা আছিল যদিও বি এছ পিৰ প্ৰাৰ্থীগৰাকীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোত ভোটগ্ৰহণ তৃতীয় পৰ্যায়লৈ পিছুৱাই দিয়া হৈছে।

০০০০০

ৰাজ্যত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা হোৱাৰ পাছৰে পৰা নিৰ্বাচনী আচৰণবিধি উলংঘাৰ মুঠ ১৪১টা ঘটনা পোহৰলৈ আহিছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ তথ্য অনুসৰি পৰহি ৯ বজালৈকে নিৰ্বাচনী আচৰণবিধি উলংঘনৰ ১৪১টা অভিযোগ লাভ কৰা হৈছে। ইয়াৰে ১৩৬টা অভিযোগ ইতিমধ্যে নিস্পত্তি কৰা হৈছে আৰু ৫টা অভিযোগ বিবেচনাধীন হৈ আছে। নিৰ্বাচনী ব্যয় নিৰীক্ষণ প্ৰক্ৰিয়াৰ অংশ হিচাপে পৰহি ৯ বজালৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ১৭৫কোটিতকৈ অধিক টকা মূল্যৰ সা-সামগ্ৰী তথা নগদ ধন জব্দ কৰা হৈছে। ইয়াৰে ভিতৰত ১৬ কোটি ৬০ লাখ টকা আৰু ২৫ কোটি ৫০ লাখ টকা মূল্যৰ সুৰা আছে। ৰাজ্যত বৰ্তমানলৈকে ১০৫ কোটি ৫০ লাখ

টকা মূল্যৰ  মাদক দ্ৰব্য আৰু ২৮ কোটি ১০ লাখ টকাৰ মূল্যবান ধাতু জব্দ কৰা হৈছে বুলি  কাৰ্যালয়ৰ তথ্যত প্ৰকাশ পাইছে। ইয়াৰ উপৰি যোৱা বৃহস্পতিবাৰৰ পুৱা ৬ বজালৈকে আইন বলবৎকাৰী সংস্থাসমূহে ২৯টা অস্ত্ৰ আৰু ৭২টা কাৰ্টিজ জব্দ কৰিছে। ০০০০০

০০০০০০০০

মণিপুৰত কালি চি আৰ পি এফৰ দুজন জোৱানক সন্দেহযুক্ত সশস্ত্ৰ দুৰ্বৃত্তই গুলীয়াই হত্যা কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ মৈৰাং আৰক্ষী থানাৰ অন্তৰ্গত নৰনছেইনা গাঁৱত মাজনিশা চাৰে বাৰ বজাৰ আশে-পাশে সংঘটিত হোৱা ঘটনাটোত এগৰাকী উপ-পৰিদৰ্শক আৰু মুখ্য কনিষ্টবল নিহত হয়। উল্লেখযোগ্য যে চি আৰ পি এফৰ ১২৮ নম্বৰ বেটেলিয়নৰ বি কোম্পানীৰ জোৱান কেইজনক সমীপৰ মেইটেই গাঁওসমূহৰ সুৰক্ষাৰ বাবে মোতায়েন কৰা হৈছিল। সমীপৰ পাহাৰৰ পৰা চলোৱা এই আক্ৰমণত জোৱান দুজন নিহত হোৱাৰ লগতে আন দুজন জোৱান আহত হোৱা বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। ঘটনা সন্দৰ্ভত অনুসন্ধান চলোৱাৰ উদ্দেশ্যে অতিৰিক্ত সুৰক্ষা বাহিনী মোতায়েন কৰা হৈছে। তদুপৰি এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰা হৈছে।

০০০০০০

লামডিং মণ্ডলৰ অধীনস্থ জাতিংগা-লামপুৰ আৰু নিউ হাৰাংগাজাও ৰে'ল ষ্টেচনৰ মাজত এখন মালবাহী ৰে'লগাড়ীৰ ইঞ্জিন ৰে'ল পথৰ পৰা বাগৰি পৰাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কেইখনমান ৰে'লগাড়ীৰ চলাচলৰ ক্ষেত্ৰত সূচীৰ সাল-সলনি ঘটোৱা হৈছে। ইয়াৰে কেইখনমান ৰে'লগাড়ীৰ যাত্ৰা বাতিল আৰু আন কেইখনমানৰ আংশিকভাৱে বাতিল কৰাৰো সিদ্ধান্ত লোৱা বুলি এখন বিভাগীয় প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে। সেই অনুসৰি শিয়ালদহ-আগৰতলা কাঞ্চনজংঘা এক্সপ্ৰেছৰ আজিৰ, এল টি টি আগৰতলা এক্সপ্ৰেছৰ কাইলৈৰ আৰু ফিৰোজপুৰ-আগৰতলা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ পৰহিলৈৰ নিৰ্ধাৰিত যাত্ৰা বাতিল কৰা হৈছে।

আনহাতে, হমছফৰ এক্সপ্ৰেছ, ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, দুল্লবচেৰা-গুৱাহাটী এক্সপ্ৰেছ, আগৰতলা-ফিৰোজপুৰ এক্সপ্ৰেছ, আগৰতলা-শিয়ালদহ কাঞ্চনজংঘা এক্সপ্ৰেছ, আগৰতলা এল টি টি এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ যাত্ৰাপথ সীমিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

০০০০০

লখিমপুৰ জিলাৰ চলিত বৰ্ষৰ হজ যাত্ৰীসকলৰ বাবে জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত বিশেষ প্ৰতিষেধক প্ৰদান শিবিৰৰ আয়োজন কৰা হৈছে।

অহা সোমবাৰে দিনৰ ১১ বজাৰ পৰা হ'বলগীয়া এই বিশেষ শিবিৰত হজ যাত্ৰীসলক অৰেল পলিঅ', QMMV, SIV কে ধৰি বিভিন্ন ৰোগৰ প্ৰতিৰোধক প্ৰদান কৰা হ'ব। জিলা স্বাস্থ বিভাগে ইতিমধ্যে ইয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে।  উল্লেখযোগ্য যে অসম, মেঘালয়, নাগালেণ্ডকে ধৰি কেইবাখনে ৰাজ্যৰ যুটীয়া ৰাজ্যিক হজ কমিটিয়ে লখিমপুৰকে ধৰি আন আন জিলা প্ৰশাসনসমূহলৈ এই সন্দৰ্ভত পত্ৰ প্ৰেৰণ কৰিছে।

০০০০০

আই পি এল প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত মুম্বাই ইণ্ডিয়ানছ দেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনহাতে সন্ধিয়া

চাৰে ৭ বজাত লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ সম্প্ৰতি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত থকা ৰাজস্থান ৰয়েলছৰ সন্মুখীন হ'ব।

ইপিনে পাঞ্জাব কিংছে যোৱা নিশা কলকাতাৰ ইডেনগাৰ্ডেছত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত কলকাতা নাইটৰাইৰ্ডাছক ৮ উইকেটত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২৬২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৮ অভাৰ আৰু ৪ টা বলত ২টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। পাঞ্জাবৰ হৈ জ'নী বেয়ৰষ্টোৱে ১০৮ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। শশাংক সিঙে ৬৮ ৰাণৰ বৰঙণি আগবঢ়ায়।

ইয়াৰ পূৰ্বে কলকাতা নাইটৰাইৰ্ডাছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২৬১ ৰাণ কৰে। কলকাতাৰ হৈ ফিলিপ ছল্টে ৭৫ ৰাণ কৰাৰ বিপৰীতে সুনীল নাৰায়ণে ৭১ ৰাণৰ বৰঙণি আগবঢ়ায়। পাঞ্জাবৰ হৈ অৰ্শদীপ সিঙে ২টা উইকেট দখল কৰে। জ'নী বেয়ৰষ্টোক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooo

কালি দেশত অনুষ্ঠিত হোৱা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাতৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰতিখন বাতৰিকাকতে প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে **ৰাজ্যত দ্বিতীয় পৰ্যায়ত ৭৭ দশমিক ৩-৫ শতাংশ ভোটদান** শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। অসম সামান্য বিসংগতি, বেমেজালিৰ মাজেদি শান্তিপূৰ্ণভাৱে অনুষ্ঠিত নিৰ্বাচনৰ যোগেদি ৬১ গৰাকী প্ৰাৰ্থীৰ ভাগ্য ই ভি এমত বন্দী হোৱাৰ বাতৰি কাকতখনে বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে।

আই পি এল জুৱাৰ মাষ্টাৰ মাইণ্ড বিকাশ বেৰিয়াক তিনিচুকীয়াত গ্ৰেপ্তাৰৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বেৰিয়াৰ পৰা আৰক্ষীয়ে ১০ লাখ টকা জব্দ কৰাৰ লগতে ভাতৃ নীতিন বেৰিয়া পলাতক হৈ থকাৰ কথা গুৰুত্বসহকাৰে কাকতখনে প্ৰকাশ কৰিছে।

ভোটাধিকাৰ সাব্যস্ত কৰি দলীয় নেতৃত্বৰ বিৰুদ্ধে প্ৰাক্তন সাংসদ ৰাজেন গোহাঁইৰ ক্ষোভ প্ৰকাশৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰকাশ কৰিছে। সমান্তৰালকৈ ৰাজেন গোহাঁইৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিয়া মন্তব্যৰ বাতৰি কাকতখনে বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে।

বিহাৰৰ পৰা নৰ শৰণীয়াই নিৰ্বাচন খেলিবলৈ সাজু হোৱাৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচন শেষ হোৱাৰ লগে লগে বিহাৰলৈ গৈ নৰ শৰণীয়াই প্ৰচাৰ চলাব বুলি কাকতখনে উল্লেখ কৰিছে।

প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ই ভি এমৰ ফলাফলৰ সৈতে ভি ভি পেতৰ কাগজ মিলাই চোৱাৰ বাবে বিৰোধীৰ আবেদন উচ্চতম ন্যায়ালয়ে খাৰিজ কৰা বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

**নিয়মীয়া বাৰ্তা** কাকতখনে জুবিন গাৰ্গৰ মন্তব্য কেন্দ্ৰীক বিতৰ্কৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসম সত্ৰ মহাসভাই মাজুলী জিলা সম্পাদকক অব্যাহতি দিয়াৰ খবৰ কাকতখনে বিস্তৃতভাৱে প্ৰকাশ কৰিছে।

**দেশৰ ভিতৰতে সৰ্বাধিক বন ধ্বংস হৈছে অসমত** শিৰোনামেৰে এটা বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। গ্লোবেল ফৰেষ্ট ৱাটছৰ সমীক্ষাত এই তথ্য প্ৰকাশ কৰিছে বুলি কাকতখনে উল্লেখ কৰিছে।

দিল্লী উচ্চ ন্যায়ালয়ে সংযুক্ত প্ৰতিৰক্ষা সেৱা পৰীক্ষাৰ যোগেদি ৮ সপ্তাহৰ ভিতৰত ভাৰতীয় সেনা বাহিনীত মহিলা নিযুক্তি দিবলৈ প্ৰতিৰক্ষা মন্ত্ৰালয়ক নিৰ্দেশ দিয়াৰ বাতৰি দ্যা ছেণ্টিনেল কাকতে প্ৰকাশ কৰিছে।

২০২৫-২৬ শিক্ষাৰ্বৰ পৰা বছৰত দুবাৰকৈ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ ছি বি এছ ই ক কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে প্ৰস্তুতি চলাবলৈ নিৰ্দেশ দিয়াৰ বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – এ পি এছ চি কেলেংকাৰীত অভিযুক্ত হ'ব এপি এছ সুকন্যা দাস, ভোটাৰক ধন বিলাই বটদ্ৰৱাত আটক তিনি কংগ্ৰেছী নেতা, ১ মেৰ পৰা কাজিৰঙাত বন্ধ এলিফেণ্ট ছাফাৰী, ১৬ মেৰ পৰা বন্ধ জীপ ছাফাৰী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, ত্ৰিপুৰা, তামিলনাডু, কেৰালা, কৰ্ণাটকৰ উপকূলভাগ, পুডুচেৰী আৰু কৰাইকলত কাইলৈ পৰ্যন্ত বিজুলী ঢেৰেকণীৰে বৰষুণ হ'ব পাৰে বুলপি আগলি বতৰা দিছে। বিভাগে লগতে মধ্যভাৰতত কাইলৈ পৰ্যন্ত আৰু উত্তৰ পশ্চিম ভাৰতত দেওবাৰ পৰ্যন্ত বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

০০০০০